(ৰহমতৰ) ফিৰিস্তা সেই ঘৰত প্ৰৱেশ নকৰে, যি ঘৰত কুকুৰ আৰু (জীৱ-জন্তুৰ) ছবি আছে।

আবু ত্বালহা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ (ৰহমতৰ) ফিৰিস্তা সেই ঘৰত প্ৰৱেশ নকৰে, যি ঘৰত কুকুৰ আৰু (জীৱ-জন্তুৰ) ছবি আছে। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, ৰহমতৰ ফিৰিস্তা সেই ঘৰত প্ৰৱেশ নকৰে, যি ঘৰত কুকুৰ আছে আৰু কোনো প্ৰাণীৰ ছবি আছে। ইয়াৰ কাৰণ হৈছে জীৱ-জন্তুৰ ছবি অংকন কৰাটো হৈছে এটা ভয়াৱহ গুনাহ। কাৰণ এইটো হৈছে আল্লাহৰ সৃষ্টিৰ অনুকৰণ, আৰু শ্বিৰ্কত পতিত হোৱাৰ অন্যতম এটা উপায়। আনকি কিছুমান ক্ষেত্ৰত আল্লাহৰ বাহিৰে এইবোৰক পূজা পাঠো কৰা হয়। কুকুৰ থকা ঘৰত ৰহমতৰ ফিৰিস্তা নহাৰ কাৰণ হৈছে, কুকুৰে বেছিভাগ অপৱিত্ৰ বস্তু ভক্ষণ। সেয়ে কিছুমানে কুকুৰক চয়তান বুলি মাতে। ফিৰিস্তা হৈছে চয়তানৰ পৰিপন্থী। কুকুৰৰ পৰা বেয়া গোন্ধ আহে, আৰু ফিৰিস্তাসকলে বেয়া গোন্ধক অপছন্দ কৰে, সেইকাৰণে কুকুৰ ৰাখিবলৈ নিষেধ কৰা হৈছে। সেয়ে কুকুৰ পোহা ব্যক্তিয়ে ৰহমতৰ ফিৰিস্তাৰ পৰা বঞ্চিত হয়, তাৰ ঘৰত ৰহমতৰ ফিৰিস্তা প্ৰৱেশ নকৰে। তাত ফিৰিস্তাসকলে দুআ নকৰে, তাৰ বাবে ক্ষমা প্ৰাৰ্থনা নকৰে, তাৰ ওপৰত আৰু তাৰ ঘৰত বৰকত নিদিয়ে আৰু চয়তানৰ অনিষ্টৰ পৰা দূৰ নকৰে।

https://sunnah.global/hadeeth/as/show/8950